# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-July-2026
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। রাজ্যত এতিয়াও ৮১০ খন গাঁও বানত কবলত। শিৱসাগৰত ৪ জন লোকৰ মৃত্যুৰে বানত মৃত্যুৰ সংখ্যা ৬৬ লৈ বৃদ্ধি।

২। কাৰ্গিল বিজয় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰীৰ মন কি বাতত সাহসী জোৱানসকললৈ শ্ৰদ্ধা নিবেদন।

৩। শিলচৰৰ এল পি জি বিস্ফোৰণত নিহতসকললৈ ৫ লাখ টকাৰ সাহায্য।

**আৰু**

৪। হাৰাৰেত অনুষ্ঠিত তৃতীয় তথা অন্তিমখন খেলত টচত জিকি ভাৰতৰ প্ৰথম বেটিং।

০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ ৫ শতাধিক গাওঁ এতিয়াও বানৰ কবলত আছে। ৰাজ্যৰ ১০ খন জিলাৰ সৰ্বমুঠ ৮১০ খন গাঁও বানত বুৰ গৈ আছে। এইবাৰৰ বানত ৬ লাখ ৫৪ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ৩ জন আৰু চৰাইদেউত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬৬ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৩৪ হাজাৰ ৯৭০ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে।

বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি টেলিফোনযোগে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ সৈতে কথা পাতি ৰাজ্যৰ বান পৰিস্থিতিৰ বিতংভাৱে বুজ লয়। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ এটা আন্তঃমন্ত্ৰালয়ৰ দল ৰাজ্যত উপস্থিত হৈ ক্ষতিগ্ৰস্ত জিলাসমূহৰ দ্ৰুতগতিত পৰিস্থিতিৰ মূল্যায়ন আৰম্ভ কৰিছে বুলি শ্ৰীসোনোৱালে জানিবলৈ দিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আগষ্টৰ ভিতৰত বান প্ৰভাৱিতসকলৰ পুনৰ্বাসনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি জানিবলৈ দিছে।

(বাইট-চি এম)

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিতাই বান প্ৰভাৱিত এলেকাসমূহত ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ চৰকাৰে কাম কৰি আছে বুলি জানিবলৈ দিয়ে। স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে আজি চৰাইদেউ জিলাৰ মাহমৰাৰ ১ নম্বৰ পৰশনি হাবি প্ৰাথমিক বিদ্যালয়ত স্থাপিত বান শিবিৰ পৰিদৰ্শন কৰে। তেওঁ শিবিৰত থকা ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ অভাৱ-অভিযোগৰ বুজ লয় উল্লেখযোগ্য যে এই শিবিৰটোত ৩০৩ গৰাকী লোকে আশ্ৰয় লৈ আছে। যোৰহাট জিলাৰ মৰিয়নিৰ হেমলাই পঞ্চায়তৰ পৰা আজি বান ক্ষতিগ্ৰস্ত

অঞ্চলসমূহত পৰিৱেশ স্বচ্ছতা আৰু অনাময় অভিযান শুভাৰম্ভ কৰা হয়। জিলাখনৰ বানৰ কৰবলত পৰা পশুপালকসকলৰ পশুধনসমূহ সংক্ৰামক ৰোগৰ পৰা সুৰক্ষিত কৰাৰ উদ্দেশ্যেৰে পশুপালন আৰু পশু চিকিৎসা বিভাগে টিয়ক বিধান সভা সমষ্টিৰ বিভিন্ন প্ৰান্তত বিনামূলীয়া পশু চিকিৎসা শিবিৰৰ আয়োজন কৰে। ইয়াৰ অংশ হিচাপে ১ নং খণ্ডীয়া প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত পশু চিকিৎসা শিবিৰত বিধায়ক বিকাশ শইকীয়া উপস্থিত থাকি শিবিৰটোৰ কাম-কাজ পৰিচালনা কৰে। জিলাখনৰ টীয়কৰ ধনতোলা আৰু টীয়ক চাহ বাগিচা অঞ্চলত খোৱাপানী বিশুদ্ধ কৰাৰ লক্ষ্যৰে কেমিকেল পেকেট বিতৰণ কৰা হয়। ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ আমগুৰি পঞ্চায়তৰ বালিগাঁও আৰু মেৰবিলত স্থানীয় বিধায়ক তৰংগ গগৈয়ে বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। বাক্সা জিলাত বি পি এফ দলৰ নীতি নিৰ্ধাৰক সমিতিয়ে উজনিত প্ৰলয়কাৰী বানত ক্ষতিগ্ৰস্ত সকললৈ গভীৰ সমবেদনা প্ৰদৰ্শন কৰি মুখ্যমন্ত্ৰী সাহায্য পুঁজিত ৫০ লাখ টকা অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত লয়।

দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ সাহসী সৈনিকসকলক স্মৰণ কৰে। তেওঁ কয়, যে কাৰ্গিল বিজয় দিৱস উদযাপন কৰাৰ বাবেই ২৬ জুলাইৰ দিনটো মনত ৰাখিবলৈ দিনপঞ্জীৰ প্ৰয়োজন নহয়। শ্ৰীমোদীয়ে কয়, যে এই দিনটোৱে সকলোৰে মন গৌৰৱৰ ভাৱনাৰে ভৰাই তোলে আৰু জনসাধাৰণক দেশৰ বীৰ সৈনিকৰ অসীম সাহসৰ বিষয়ে সোঁৱৰাই দিয়ে। ছহিদসকলৰ প্ৰতি প্ৰণিপাত জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁলোকে দেশমাতৃৰ বাবে সৰ্বোচ্চ ত্যাগ কৰি গৈছে। শ্ৰীমোদীয়ে সকলোকে ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ আৰু নিৰাপদ, সামৰ্থবান আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সংকল্প সুদৃঢ় কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে এটা যাত্ৰা-এখন ৰাষ্ট্ৰ–একেটা অভিবাদন বাৰ্তাৰে উলিওৱা এই যাত্ৰাই সকলোকে এই কথা সোঁৱৰাই দিয়ে যে ৰাষ্ট্ৰৰ বাবে কৰা ত্যাগৰ বিষয়ে কেতিয়াও পাহৰিব নোৱাৰি। দেশে অহৰহভাৱে প্ৰযুক্তিগত সামৰ্থ বৃদ্ধি কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অলপতে আই এন এছ মহেন্দ্ৰগিৰি নামৰ দেশতে নিৰ্মিত এখন অত্যাধুনিক যুদ্ধজাহাজ নৌসেনাত অন্তৰ্ভুক্ত কৰা হৈছে। জাহাজখনত ব্যৱহৃত ৭৫ শতাংশৰো অধিক সামগ্ৰী স্বদেশী বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে জাহাজখনক আত্মনিৰ্ভৰ ভাৰতৰ বৰ্ধিত শক্তিৰ প্ৰতীক বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীয়ে যোৱা দেওবাৰে বিক্ৰম ৱান ৰকেটৰ সফল উৎক্ষেপণক লৈও সন্তুষ্টি প্ৰকাশ কৰে।

## বাইট (পি এম)-১

প্ৰধানমন্ত্ৰীয়ে কেটচ-দ্যা ৰেইন অভিযানৰ কথা উল্লেখ কৰি কয় যে এই বিশেষ ৰাষ্ট্ৰজোৰা অভিযান ৪ জুলাইৰ পৰা চলি আছে। এই অভিযানৰ দ্বাৰা বৰষুণৰ পানী সংৰক্ষণ, ভূগৰ্ভৰ পানী পুনৰ আহৰণ, পুৰণি জলস্তৰ পুনৰ উদ্ধাৰ তথা গছপুলি ৰোপণ কাৰ্যসূচীক নতুন গতি প্ৰদান কৰা হৈছে। শ্ৰীমোদীয়ে গাঁও কিম্বা চহৰ, পঞ্চায়ত অথবা সামাজিক সংস্থাসমূহকে ধৰি সকলোতে জনসাধাৰণৰ ব্যাপক অংশগ্ৰহণকলৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে কোনো কোনো অঞ্চলত পুৰণি পুখুৰীসমূহৰ পৰা বোকা আতঁৰোৱাৰ লগতে বিভিন্ন ঠাইত কুঁৱাবোৰ পুনৰুদ্ধাৰ কৰা হৈছে। মধ্যপ্ৰদেশৰ সিদ্ধি জিলাত এহেজাৰ ৫০০টা পুখুৰী খন্দা হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে নাৰ্ছিংপুৰত অমৃত সৰোবৰ নিৰ্মাণ কৰাৰ লগতে নাছিকত পানী মজুত কৰাৰ ব্যৱস্থা গঢ়ি তোলা হৈছে। একেদৰে অন্ধ্ৰপ্ৰদেশৰ নন্দ্যালত সকলো গাঁওপঞ্চায়তে এই অভিযানত অংশ লৈ পুৰণি পুখুৰীসমূহ পুনৰ উদ্ধাৰ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে কয় যে কিছুদিন পূৰ্বে গ্লাছগোত আৰম্ভ হোৱা কমনৱেলথ গেমছত অংশগ্ৰহণ কৰা এথলিটসকলক প্ৰতিজন ভাৰতীয়ই শুভেচ্ছা জনাইছে। প্ৰতিগৰাকী খেলুৱৈয়ে সুন্দৰ প্ৰদৰ্শন কৰিব বুলি দেশবাসীয়ে আশা প্ৰকাশ

কৰিছে। শেহতীয়াকৈ ক্ৰীড়া ক্ষেত্ৰত ভাৰতৰ যুৱক-যুৱতীসকলে উল্লেখনীয় সাফল্য লাভ কৰাক লৈ গৌৰৱ প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে পি ভি সিন্ধু হৈছে জাপান অপেনৰ খিতাপ দখল কৰা প্ৰথম গৰাকী ভাৰতীয় বেডমিণ্টন খেলুৱৈ। ভাৰতীয় মহিলা ক্ৰিকেট দলেও লণ্ডনৰ লৰ্ডছত অনুষ্ঠিত  টেষ্ট ক্ৰিকেটত জয়লাভ কৰাৰ কথা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে  এই জয়ক ঐতিহাসিক বুলি অভিহিত কৰে।

শ্ৰীমোদীয়ে ছায়েন্স অলিম্পিয়াডৰ কথা প্ৰকাশ কৰি কয় যে এই অলিম্পিয়াডত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে ৰাষ্ট্ৰই অহা ৭ আগষ্টত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰিব। এই দিনটোত দেশৰ শিপিনীসকলৰ দক্ষতা আৰু সৃজনীশিলতাক উদযাপন কৰা হয় বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে  হস্তনিৰ্মিত সামগ্ৰীৰ ব্যৱহাৰৰ জৰিয়তে শিপিনীসকলক উৎসাহিত কৰাৰ লগতে ভকেল ফৰ লোকেল ধাৰণাক অধিক শক্তিশালী কৰি তুলিবলৈ জনসাধাৰণক আহ্বান জনাই।

মন কি বাতৰ সামৰণিত শ্ৰীমোদীয়ে অহা ১৫ আগষ্টত উদযাপন কৰিবলগীয়া স্বাধীনতা দিৱসৰ কথা উল্লেখ কৰি কয় যে এই দিনটোত দেশৰ স্বাধীনতাৰ হকে সৰ্বোচ্চ ত্যাগ কৰা সহস্ৰ বীৰক স্মৰণ কৰা হয়। তেওঁ কয় যে বিগত বছৰ সমূহত হৰ ঘৰ ত্ৰিৰংগা অভিযানে সমগ্ৰ দেশক একত্ৰিত কৰি ৰাখিছে।  তেওঁ জনসাধাৰণক ১৫ আগষ্টৰ পূৰ্বে মাই গভট তেওঁলোকৰ ন-ন ধাৰণা আৰু পৰামৰ্শসমূহ আগবঢ়াবলৈ আহ্বান জনায়।

ooooooooo

কাছাৰ জিলাৰ উধাৰবন্ধ বিধান সভা সমষ্টিৰ অন্তৰ্গত পানগ্ৰামত অৱস্থিত এটা ক্ষুদ্ৰ উদ্যোগত আজি এল পি জি চিলিণ্ডাৰ বিস্ফোৰণ হৈ ৪ জন শ্ৰমিকৰ কৰুণভাৱে মৃত্যু হয়। এই দুৰ্ঘটনাত আন কেইবাজনো শ্ৰমিক গুৰুতৰভাৱে আহত হয়। আহত শ্ৰমিকসকলক শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। শীৰ্ষ আৰক্ষী বিষয়াকে ধৰি আৰক্ষীৰ এটা বৃহৎ  দলে ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্যৰ গুৰি ধৰে। ৰাজ্যৰ খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী কৌশিক ৰায়ে ঘটনাৰ বুজ লৈ সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিস্ফোৰণৰ প্ৰকৃত কাৰণ এতিয়াও নিশ্চিত হোৱা নাই বুলি জানিবলৈ দিয়ে। বিস্ফোৰণৰ সম্ভাব্য উৎসৰ তদন্ত চলি আছে বুলি অৱগত কৰি শ্ৰীৰায়ে মৃত শ্ৰমিকসকলৰ পৰিয়ালক ৫ লাখ টকাৰ ক্ষতিপূৰণ দিয়া হ'ব বুলি ঘোষণা কৰে।

ooooooo

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ  তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হাৰাৰেত অনুষ্ঠিত হৈছে। ভাৰতে টছত জিকি প্ৰথমে বেটিং আৰম্ভ কৰি এই বাতৰি যুগুতোৱাৰ পৰলৈ ১১ অভাৰত ২ টা উইকেট হেৰুৱাই ১০১ ৰান সংগ্ৰহ কৰিছে।

ভাৰতে কালি একেটা স্থানত অনুষ্ঠিত দ্বিতীয়খন খেলত ঘৰুৱা দল জিম্বাব'ৱেক ৯০ ৰানত পৰাস্ত কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। উল্লেখযোগে যে ভাৰতে শুকুৰবাৰে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত জিম্বাব'ৱেৰ বিৰুদ্ধে ৭ উইকেটত জয়লাভ কৰিছিল।

ooooooooo

সমাপ্ত